গ্ৰহণৰ অনুষ্ঠানেই নহয় সুস্থ-সবল সমাজ গঠন আৰু জাতীয় জীৱন গঢ় দিয়াতে এই পবিত্ৰ অনুষ্ঠানটিয়ে এক জাগ্ৰত ভূমিকা গ্ৰহণ কৰি আহিছে। ৰঙিয়া অঞ্চলৰ জ্ঞান-চৰ্চাৰ তীৰ্থ ভূমি 'ৰঙিয়া মহাবিদ্যালয়' সৰ্বাঙ্গসুন্দৰ হৈ সৰ্বত্ৰতে সজীৱ হৈ উঠক, এয়ে মোৰ কামনা।

**কিছু অনুভৱ ঃ-**

১৯৬৩ চনৰে পৰাই ঐতিহ্যমণ্ডিত ৰঙিয়া মহাবিদ্যালয়ত প্ৰতি বছৰে হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে নিজৰ নিজৰ মাৰ্গ দৰ্শন কৰি আহিছে। বিগত কিছু বছৰ আমাৰ এই মহাবিদ্যালয়ৰ শৈক্ষিক ফলাফল বাঞ্ছিত ধৰণৰ নহয় যদিও, আজি প্ৰায় পাঁচ বছৰমানৰ পৰা ক্ৰমে উন্নতিৰ ফালে অগ্ৰগতি লাভ কৰা পৰিলক্ষিত হৈছে। ইয়াৰ মূলতে হ'ল ৰঙিয়া মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশ, অভিভাৱক সকলৰ কৰ্তব্যনিষ্ঠা, শিক্ষাগুৰুসকলৰ একনিষ্ঠতা আৰু ছাত্ৰ-ছাত্ৰীৰ একাগ্ৰতা।

**কাৰ্য্যকালৰ সময়ছোৱা ঃ-**

১৯৯৮ চনৰ ২৭ নৱেম্বৰত অনুষ্ঠিত মহাবিদ্যালয় সাধাৰণ নিৰ্বাচনত 'সদৌ অসম ছাত্ৰ সন্থা'ৰ মনোনীত প্ৰাৰ্থী হিচাবে মই উপ-সভাপতি পদত জয়ী হওঁ। উপ-সভাপতিৰ পদটি বাহিৰৰ পৰা দেখাত বিশেষ একো নাই, যদিও ই দৰাচলতে এটি গুৰুত্বপূৰ্ণ আৰু দায়ীত্বপূৰ্ণ পদ, পদত অধিষ্ঠিত হোৱাত তাক বাৰুকৈয়ে উপলব্ধি কৰিছিলোঁ। মোৰ কাৰ্য্যকালত ইয়াৰ পবিত্ৰতা, মৰ্য্যাদা ৰক্ষা কৰিবলৈ সততে চেষ্টা কৰিছিলোঁ। ইয়াৰ সত্যতা আৰু গুণাগুণ বিচাৰ কৰাৰ দায়ীত্ব সমূহ 'ৰঙিয়ান'ৰ হাতত অৰ্পন কৰিলোঁ।

উপ-সভাপতি হিচাপে দায়িত্ব গ্ৰহণ কৰিয়েই মনতে শপত খাইছিলোঁ সাধ্যানুসাৰে মহাবিদ্যালয়ৰ সেৱা কৰিম বুলি। বিগত সময়ছোৱাত সেয়ে প্ৰচেষ্টা চলাই ছিলোঁ মহাবিদ্যালয়খনক গৌৰৱেৰে বৌদ্ৰোজ্ব কৰাৰ। মহাবিদ্যালয় ছাত্ৰ সন্থাৰ বিষয়ববী হৈ অকলে এজনে কোনো সমস্যা সমাধা কৰিব নোৱাৰে। সীমিত শক্তি আৰু সামৰ্থ্যৰে মোৰ দায়ীত্ব পালনত কোনো ত্ৰুটি কৰা না বুলি মই ভাবো। মহাবিদ্যালয়ৰ বিভিন্ন সমস সমাধানৰ বাবে বিভিন্ন সময়ত আমি কৰ্তৃপক্ষ লগতে উচ্চ পৰ্য্যায়লৈকে স্মাৰক পত্ৰ প্ৰদান উপৰিও আলোচনাত মিলিত হৈছিলোঁ। মোৰ ২৮/০৬/৯৯ তাৰিখে মই সাধাৰণ সম্পাদক হৈতে ৫ জনীয়া প্ৰতিনিধিদলে মহকুমাধিপতি সাক্ষাৎ কৰি মহাবিদ্যালয়ৰ পৰা ৰাষ্ট্ৰীয় ঘাই পথ সংযোগী পথছোৱাৰ মেৰামতিৰ লগতে মহাবিদ্যালয়ৰ বিভিন্ন সমস্যাৰ বিষয়ে আলোচনা কৰি স্মাৰকপত্ৰ প্ৰদান কৰোঁ। 'ৰঙিয়ান' সকলক জনাব বিচাৰোঁ যে কাৰ্য্যকালৰ সময়ছোৱাত উচ্চশিক্ষামন্ত্ৰী মাননীয় থানেশ্বৰ বড়োৰ লগত আলোচনা কৰি মহাবিদ্যালয়ৰ স্থায়ী প্ৰেক্ষাগৃহ, ছাত্ৰ জিৰণীকোঠা লগতে ৰংমংছাং সন্থাৰ স্থায়ী কাৰ্য্যালয় নিৰ্মাণৰ বাবে স্মাৰক পত্ৰ প্ৰদান কৰোঁ। ইয়াৰ ফলস্বৰূপে তেখেতৰ ফালৰ পৰা ১ লাখ টকাৰে ছাত্ৰ জিৰণীকোঠাৰ নিৰ্মাণৰ কাম হাতত লওঁ। তদুপলক্ষে, যোৱা ইং ১৯/১১/৯৯ তাৰিখে মাননীয় শ্ৰীযুত কামিনী মোহন শৰ্মাদেৱৰ দ্বাৰা ছাত্ৰ জিৰণী কোঠাৰ আধাৰশিলা স্থাপন কৰা হয়। 'ৰঙিয়া মহাবিদ্যালয়'ৰ প্ৰৱেশ পথ ছোৱাৰ লগতে বাৰাণ্ডাসমূহ মেৰামতি (পকীকৰণ) কৰা হয় আমাৰ কাৰ্য্য কালতে, য'ত মহাবিদ্যালয়ৰ পুঁজি ব্যৱহাৰ কৰা হোৱা নাছিল।

স্থায়ী প্ৰেক্ষাগৃহ নিৰ্মাণৰ বাবে ৰংমংছাং সন্থা আৰু কৰ্তৃপক্ষৰ যুটীয়া বৈঠকত প্ৰায় ৩০লাখ টকাৰ আঁচনি প্ৰস্তুত কৰা হৈছিল যদিও সময়ৰ অভাৱত তাৰ ৰূপায়ণ আমাৰ কাৰ্য্যকালতে নহ'ল। আগন্তুক বিষয়ববীয়া সকলে আগভাগলৈ আঁচনিখন অতিশীঘ্ৰে ৰূপায়ণ কৰিব বুলি আশা কৰিলোঁ। বিজ্ঞান শাখাৰ বাবে অতি প্ৰয়োজনীয় গৱেষণাগাৰটোৰ নিৰ্মাণ কাৰ্য্যৰ সমাপনৰ লগতে ব্যৱহাৰোপযোগীও কৰা হয় আমাৰ কাৰ্যকালতে। এইটো এটি বিজ্ঞানসন্মত গৱেষণাগাৰ হৈছে।

আমাৰ কাৰ্য্যকালতে উপ-সভাপতি, সহঃসাধাৰণ সম্পাদক আৰু স্বঃ সিদ্ধিনাথ শৰ্মা সোঁৱৰণী তৰ্ক প্ৰতিযোগিতা (আন্তঃ মহাবিদ্যালয়ৰ ভিত্তিত)ৰ বাবে আছুতীয়াকৈ পুঁজি নিৰ্দ্ধাৰণ কৰা হয়। তদুপৰি সৰস্বতীপূজা, ফাতেহা ই দোৱাজ দাহম, বাথৌপূজা আদিৰ দৰে বছৰেকীয়া তিথিবোৰো জাক-জমকতাৰে অনুষ্ঠিত কৰা হৈছিল।

**কৃতজ্ঞতা স্বীকাৰ আৰু ধন্যবাদৰ শৰাই ঃ-**

শেষত যিসকলে 'ৰঙিয়ানে' মোক এনে এক মহান পদবীলৈ নিৰ্বাচিত কৰি যোগ্যতাৰ আসনত বহুৱালে, সেই সৱলৈ মোৰ ধন্যবাদৰ শৰাই আগবঢ়ালোঁ। কাৰ্য্যকালত বিভিন্ন ধৰণে সহায় কৰা বিভিন্ন সম্পাদক/সম্পাদিকালৈও মোৰ ধন্যবাদৰ শৰাই আগবঢ়ালোঁ। মহাবিদ্যালয়ৰ বিভিন্নজন কৰ্মচাৰীয়ে মোলৈ সু-পৰামৰ্শ আৰু সহায় আগবঢ়োৱাত তেখেত সকলৰ ওচৰতো মই কৃতজ্ঞ।

শেষত মই উল্লেখ নকৰি নোৱাৰিলোঁ যে বৰ্তমানৰ অধ্যক্ষ মাননীয় শ্ৰীযুত ভবেন্দ্ৰ নাথ ডেকাদেৱৰ সহযোগ তথা পৰামৰ্শ কৃতজ্ঞতাৰে মই স্বীকাৰ কৰিলোঁ। তদুপৰি মোক বিভিন্ন ধৰণে সদুপদেশ দি ধন্য কৰা উপাধ্যক্ষ মাননীয় উমেশ গোস্বামী, অধ্যাপক আব্দুৰ ৰেজ্জাক, দীনেশ লহকৰ, ভবেন লহকৰ, সঞ্জয় তালুকদাৰ, ব্ৰজেন শইকীয়া, বিমল দাস, দক্ষেশ্বৰ ডেকা, ভূপেন শৰ্মা, প্ৰদীপ ডেকা, বীৰেণ পাটোৱাৰী, স্নিগ্ধা চৰকাৰ, অমৰেন্দ্ৰ শৰ্মা, হৰেন্দ্ৰ নাথ শৰ্মা, নৰেন্দ্ৰ কলিতা, গ্ৰন্থাগৰিক বীৰেন্দ্ৰ নাথ শৰ্মা, ৰমাকান্ত মহন্ত, গাননিক জনেক বৈশ্য, জ্যোতিষ ডাউকা, যোগেন্দ্ৰ শৰ্মা, দীপক ডেকালৈ মোৰ কৃতজ্ঞতা জনালোঁ। মহাবিদ্যালয়ৰ বিভিন্ন অনুষ্ঠানত অংশগ্ৰহণ কৰা মাননীয় থানেশ্বৰ বড়োদেৱ, কামিনীমোহন শৰ্মা, দূৰ্গাদত্ত আগৰৱালা, 'আছু'ৰ সভাপতি প্ৰবীন বড়ো, অঃজাঃযুঃছাঃপঃৰ সভাপতি দিলীপ পাটগিৰি, প্ৰদীপ কলিতা (জেষ্ঠ প্ৰবক্তা, মিৰ্জা), কণিকা কলিতা (অধ্যাপিকা, শৰাইঘাট মহাবিদ্যালয়) লৈও মোৰ আন্তৰিক কৃতজ্ঞতা জনালোঁ। লগতে 'ৰাছু'ৰ মোহনদা, পৰেশদা, মুনীন্দ্ৰদা, অৰূপদা, প্ৰণৱদা, ভবেশদা, প্ৰমুখ্যে সমূহ বিষয়ববীয়ালৈ মোৰ শলাগৰ শৰাই আগবঢ়ালোঁ।

শেষত, প্ৰতিমুহূৰ্ত্ততে মোক সহায় কৰা বন্ধু বিপুল কাকতী, নিৰঞ্জন ডেকা, বিপুল দাস, হিতেশ, ৰাণা, ফকৰুদ্দিন, কৌশিক, অনুজ আৰু বান্ধৱী অৰ্পনা, ৰঞ্জু, সবিতা হেমপ্ৰভা, গীতা, ৰুণু, তৰালী হ'তলৈ আৰু মোৰ সতীৰ্থ বন্ধু-বান্ধৱী (যি সকলৰ নাম এই মুহূৰ্তৰ মনত পৰা নাই), আটাইলৈ কৃতজ্ঞতা যাচিছোঁ।

শেষত, অজানিতে হোৱা ভুল-ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি সমূহ 'ৰঙিয়ান'লৈ ধন্যবাদ তথা ৰঙিয়া মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনাৰে প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ। ❑❑

"জয়তু ৰঙিয়া মহাবিদ্যালয়"

"জয়তু ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা"

শ্ৰদ্ধাৰে-

**শ্ৰীহেমন্ত কলিতা**

উপ-সভাপতি,

ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা

ৰঙিয়া মহাবিদ্যালয় আলোচনী

ঃ জয় আই অসম ঃ

## সাধাৰণ সম্পাদকৰ বাৰ্ষিক প্ৰতিবেদন

## ইং ১৯৯৮ - ৯৯' চন



"মইতো দিগন্তৰ দিশহাৰা অস্তগামী সূৰ্য্য নহওঁ যে এন্ধাৰৰ ওচৰত নতজানু হ'ম ........"

ৰাজেন শৰ্মা

প্ৰতিবেদনৰ প্ৰাৰম্ভণিতে বুকুৰ ৰক্তিম ৰক্তেৰে ৰঞ্জিত কৰি অসমী আইৰ চৰণ ধুৱাই মাতৃপূজাৰ চৰম নিদৰ্শন দি অমৰ হোৱা বীৰ শ্বহীদ সকললৈ মোৰ সশ্ৰদ্ধা অশ্ৰু-অঞ্জলি নিবেদিছোঁ।

এন্ধাৰৰ ওচৰত নতজানু হোৱা দেশৰ দূৰ্নীতিপৰায়ন নেতা, পাল্লিনেতা ৰাজনৈতিক নেতাৰ আঙুলিৰ ইংগিতত পৰিচালিত যুৱক-যুৱতী সকলে অসমৰ সাতাম পুৰুষীয়া একতাৰ এনাজৰীডালক পুনৰ নকৈ প্ৰতিস্থাপিত কৰিবলৈ লেতেৰা চোলাটো খুলি আগবাঢ়ি আহি আমাৰ বৰ্তমান সময়ৰ একান্ত বাঞ্ছা 'শান্তি' প্ৰতিষ্ঠাত আত্মনিবেশ কৰক - এই আশা ৰাখিছো। অসম মাতৃ হওঁক শংকৰ-মাধৱ, আজান ফকীৰৰ মিলনভুমি।

সদৌ অসম ছাত্ৰ সন্থাৰ মনোনীত প্ৰাৰ্থী হিচাপে বিগত ২৭/১১/৯৮ ইং তাৰিখে অনুষ্ঠিত ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ নিৰ্বাচনত প্ৰতিদ্বন্দিতাৰে বিপুল ভোটত বিজয়ী হৈ মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদকৰ গুৰুদায়ীত্ব গ্ৰহণ কৰো। ছাত্ৰ-ছাত্ৰীৰ উমৈহতীয়া কল্যাণৰ স্বাৰ্থত এজন সাধাৰণ সম্পাদক হিচাপে বিগত বৰ্ষটোত নিজকে অৰ্পণ কৰিছিলোঁ। সেয়েহে মোৰ কৃতকাৰ্য্যতাৰ হিচাপ নিকাচ আপোনাসবৰ ওচৰত এৰি দিছো। আপোনালোকেই বিচাৰ কৰিব-এজন সফল সাধাৰণ সম্পাদক হিচাপে মই নিজকে নিয়োজিত কৰিব পাৰিছো নে নাই। মই কৰ্তব্যৰ পৰা কোনো কাৰণতে আঁতৰত থকা নাই। মহাবিদ্যালয় কৰ্তৃপক্ষ আৰু মহাবিদ্যালয় ছাত্ৰ সন্থাৰ বিষয়-ববীয়া তথা সমূহ ছাত্ৰ-ছাত্ৰীৰ অকৃত্ৰিম সহযোগিতাৰ দ্বাৰা মোৰ কাৰ্য্যকালৰ সময়ছোৰাত বহুতো দিশৰ নতুনত্ব অহা বুলি দাবী কৰিব পাৰো। তলত ইয়াৰে এটা চমু খতিয়ান দাঙি ধৰা হ'ল -

৯/১২/৯৮ ইং- মহাবিদ্যালয় ছাত্ৰ সন্থাৰ শপত গ্ৰহণ।

৮ জানুৱাৰীৰ পৰা ১২ জানুৱাৰী '৯৯ লৈ "মহাবিদ্যালয় সপ্তাহ।"

২৮/৬/৯৯ ইং - বঁটাকুছিৰ পৰা ৰঙিয়া মহাবিদ্যালয়ৰ সন্মুখেৰে অহা ডিমুলৈ বাছ চলাচল আৰু পথ নিৰ্মাণৰ দাবীত ৰঙিয়া মহকুমাধিপতি (অ) ৰ লগত মহাবিদ্যালয় ছাত্ৰ সন্থাৰ যুটীয়া বৈঠক।

১১/৮/৯৯ ইং - নৱাগত আঁদৰণি সভা।।

৫/৮/৯৯ ইং - মহাবিদ্যালয় প্ৰতিষ্ঠা দিৱস পালন।

২৭/৯/৯৯ ইং - মহাবিদ্যালয় উমৈহতীয়া সমস্যাৰাজিকলৈ কৰ্তৃপক্ষৰ ওচৰত দাবী পত্ৰ প্ৰদান।

২৭/৭/৯৯ ইং - ছাত্ৰ-ছাত্ৰীৰ আৰু মহাবিদ্যালয়ৰ বিভিন্ন সমস্যা সন্দৰ্ভত কৰ্তৃপক্ষৰ লগত সুদীৰ্ঘ আলোচনা।

১৫/১১/৯৯ ইং -"সিদ্ধিনাথ শৰ্মা সোঁৱৰণী সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতা।

১৯/১১/৯৯ ইং - ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ বিপুল দাবীৰ ফলত ছাত্ৰ জিৰণী কোঠা নিৰ্মাণ প্ৰক্ৰিয়া আৰম্ভ।

২৬/১১/৯৯ ইং - মহাবিদ্যালয় নিৰ্বাচন।

২/১২/৯৯ ইং - মহাবিদ্যালয় ছাত্ৰ সন্থাৰ নতুন সমিতিক দায়িত্ব হস্তান্তৰ।

<u>মোৰ কাৰ্য্যকালত বিভিন্ন দিশত সফলতাৰ খতিয়ান :-</u>

(১) স্থায়ী ভাৱে পতাকা উত্তোলন ভেটি নিৰ্মাণ কৰা হয়।

(২) মহাবিদ্যালয় মূলদ্বাৰৰ পৰা মহাবিদ্যালয়লৈ সংলগ্ন পথ পকীকৰণ কৰা হয়।

(৩) মহাবিদ্যালয়ৰ শ্ৰেণীকোঠাৰ চাৰিওফালে উন্নত মানৰ বাৰাণ্ডা নিৰ্মাণ।

(৪) উদ্ভিদ বিজ্ঞান আৰু ভৌতিক বিজ্ঞানৰ Practical Examination মহাবিদ্যা-লয়তে অনুষ্ঠিত কৰণ।

(৫) বিজ্ঞানৰ শাখাৰ বাবে নতুন Laboratory Room একোটাকৈ নিৰ্মাণ।

(৬) মোৰ কাৰ্য্যকালতে মহাবিদ্যালয়ত এখন সাংস্কৃতিক সমাৰোহ অনুষ্ঠিত কৰা হয়।

(৭) মহাবিদ্যালয় ছাত্ৰ সন্থাৰ উপসভাপতি, সহকাৰী সাধাৰণ সম্পাদক আৰু তৰ্ক সাহিত্য সম্পাদকৰ "সিদ্ধিনাথ শৰ্মা তৰ্ক প্ৰতিযোগিতাৰ বাবে প্ৰথমবাৰৰ বাবে আৰ্থিক পুঁজি নিৰ্দ্ধাৰণ কৰা হয়।

<u>বাৰ্ষিক মহাবিদ্যালয় সপ্তাহ ঃ</u>

বিগত বছৰকেইটিৰ দৰে এইবেলিও ইং ৮ জানুৱাৰীৰ পৰা ১২ জানুৱাৰী '৯৯ লৈ পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্য্যক্ৰমনিকাৰে মহাবিদ্যালয় ছাত্ৰ সন্থাৰ বাৰ্ষিক সপ্তাহ উদ্‌যাপন কৰা হয়। সপ্তাহত কেইবাটাও নতুন বিষয়ৰ প্ৰতিযোগিতা সংলগ্ন কৰা হয়। বিশেষকৈ ক্ৰীড়া, সাহিত্য, সাংস্কৃতিক দিশৰ বিভিন্ন আকৰ্ষনীয় প্ৰতিযোগিতাৰে মহাবিদ্যালয় সপ্তাহ অনুষ্ঠিত কৰা হয়। মুকলি সভাত মাননীয় মহকুমাধিপতি (অ) প্ৰতীক হাজেলা, শিক্ষামন্ত্ৰী শ্ৰীযুত থানেশ্বৰ বড়ো, গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ ৰীডাৰ মাননীয় ড° উমেশ ডেকা আৰু বোলছবি জগতৰ খ্যাতনামা অভিনেত্ৰী এগৰাকীয়ে অংশগ্ৰহণ কৰে। মহাবিদ্যালয় সপ্তাহত ছাত্ৰ-

ছাত্ৰীৰ অংশ গ্ৰহণে পূৰ্বৰ সকলো অভিলেখ ভংগ কৰি প্ৰতিদ্বন্দিতাৰ মনোভাৱ প্ৰদৰ্শন কৰাৰ বাবে সমূহ ছাত্ৰীকে অভিনন্দন জনাইছোঁ। উল্লেখযোগ্য যে মহাবিদ্যালয় সপ্তাহত N.S.S ৰ জৰিয়তে এখন আটক ধুনীয়া প্ৰদৰ্শনীৰো আয়োজন কৰা হয়।

নৱাগত আদৰণি সভা ঃ

নতুনক আদৰি লোৱা সৃষ্টিৰ এক চিৰন্তন ৰীতি। আমাৰ মহাবিদ্যালয়লৈ ইং ১৯৯৮-'৯৯ বৰ্ষত নতুনকৈ উচচ শিক্ষাৰ বাবে অহা কলা; বিজ্ঞান, বানিজ্য আৰু Sericulture শাখাৰ সমূহ ছাত্ৰ-ছাত্ৰীক ইং ১১/৮/৯৯ তাৰিখে আনুষ্ঠানিক ভাবে আদৰণি জনোৱা হয়। নৱাগত আগৰণি সভাত চা-চিনাকি পৰ্ব, প্ৰীতি সন্মিলন আৰু মুকলি সভা অনুষ্ঠিত হয়। সভাত সদৌ অসম ছাত্ৰ সন্থাৰ সভাপতি শ্ৰী প্ৰবীণ বড়ো, অংজাংমুঃ ছাত্ৰ পৰিষদৰ সভাপতি দিলীপ পাটগিৰি, অসমীয়া বোলছবি জগতৰ খ্যাতনামা অভিনেতা জয়ন্ত দাস, অভিনেত্ৰী আকাশী তৰা দত্ত আদিয়ে অংশগ্ৰহণ কৰি শোভাবৰ্দ্ধন কৰিছিল।

অভাৱ অভিযোগ ঃ

আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ অভাৱ যথেষ্ট আছে যদিওঁ মহাবিদ্যালয় ছাত্ৰ সন্থা আৰু কৰ্তৃপক্ষ, বিশেষকৈ সন্মানীয় অধ্যক্ষ শ্ৰীযুত ভবেন্দ্ৰ নাথ ডেকাদেৱৰ অহোপুৰুষাৰ্থ চেষ্টাত ইয়াক বহু পৰিমানে পূৰণ কৰাত সফল হৈছে। অভাৱ অভিযোগ সন্দৰ্ভত কাৰ্য্যকালৰ সময়ত বিশেষভাৱে কৰ্তৃপক্ষক দাবী জনোৱা কথাটো কাৰো অবিদিত নহয়। মাননীয় অধ্যক্ষ মহোদয়ৰ সহযোগিতাক শ্ৰদ্ধাৰে সোঁৱৰিছো। তেখেতে এটি পৰিয়ালৰ দৰেই আমাক দিহা পৰামৰ্শ তথা তথ্য-পাতিৰে সহযোগিতা কৰে। এনেকি ছাত্ৰ-ছাত্ৰী কল্যাণ পুঁজিৰে তেখেতে দুখীয়া ছাত্ৰ-ছাত্ৰী পঢ়াৰ সু-ব্যৱস্থা কৰাত আমি অত্যন্ত সুখী বো কৰিছো। সেয়েহে অভাৱ-অভিযোগে দীঘলীয়া উল্লেখ কৰা নাই। কাৰণ কথাতকৈ কামত গুৰু দিয়াই আছিল মোৰ প্ৰধান লক্ষ্য।

শলাগৰ শৰাই ঃ

মোৰ কাৰ্য্যকালত আকুণ্ঠ সহযোগিত আগবঢ়োৱা মহাবিদ্যালয় অধ্যক্ষ মহোদয় আৰু শিক্ষক কৰ্মচাৰীবৃন্দ, তত্বাবধায়ক উপাধ্যক্ষ মহোদয়, সদৌ কামৰূপ জিলা ছাত্ৰ সন্থাৰ প্ৰচাৰ সম্পাদক পৰেশ চন্দ্ৰ নাথ, 'আছু'ৰ সন্মানীয় কৰ্মী মোহন মাধৱ বৰ্মণ, মুনীন্দ্ৰ দাস, অৰূপ দাস, প্ৰণৱ শৰ্মা, হিতেন্দ্ৰ কলিতা, মহাবিদ্যালয়ৰ ছাত্ৰ সন্থা সতীৰ্থ বন্ধু-বান্ধৱী সকল, (মনোৰঞ্জন কলিতা) আৰু সমুহ ছাত্ৰ-ছাত্ৰীলৈ শলাগ লৈছো। বিশেষকৈ ৰেগিং বন্ধ কৰা মোৰ সতীৰ্থ বন্ধু বান্ধৱী, (সঞ্জয় মজুমদাৰ আদি) আটায়ে ধন্যবাদৰ পাত্ৰ হৈ থাকিব।

সামৰণি ঃ

সদৌ শেষত মোৰ ক্ষুদ্ৰ মস্তিস্ক, অপৈনত বুদ্ধিমত্তা আৰু সাধ্যানুসাৰে লিখি উলিওৱা প্ৰতিবেদনৰ অনিচ্ছাকৃত ভুলৰ ক্ষমা বিচাৰি সামৰণি মাৰিছোঁ। ☐☐

ধন্যবাদেৰে -

**ইব্ৰাহীম আলি**

সাধাৰণ সম্পাদক,

ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা

জয় আই অসম।



## সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



মৰমৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী সকল,

প্ৰতিবেদনৰ পাতনিতে আপোনালোকে মোৰ নিচিনা অধমক ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ সহঃ সাধাৰণ সম্পাদকৰ পদত নিৰ্বাচিত কৰাৰ বাবে ধন্যবাদৰ লগতে কৃতজ্ঞতাও যাচিলোঁ। ৰঙিয়া মহাবিদ্যালয়লৈ আহি আপোনালোকৰ মিমৰম, আন্তৰিকতা পালো তাৰ বাবে মই সচাঁকৈ ভাগ্যবান বুলি অনুভৱ কৰোঁ। যদিও মহাবিদ্যালয় এখনলৈ ছাত্ৰ বা ছাত্ৰী প্ৰধানতঃ অধ্যয়ন কৰিবলৈ আহে তথাপিও মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ নিৰ্বাচন এটা পৰম্পৰা। এনে পৰম্পৰা ৰক্ষা কৰাটো ৰঙিয়া মহাবিদ্যালয়ৰ প্ৰত্যেকজন ছাত্ৰ বা ছাত্ৰীৰে কৰ্ত্তব্য। এই পৰম্পৰা ৰক্ষা কৰি প্ৰত্যেক বছৰে নিৰ্বাচন অনুষ্ঠিত কৰা হয়। ইয়াৰ ফলত যে প্ৰতি বছৰে কিছুমান সমাজ সচেতন ছাত্ৰ বা ছাত্ৰীয়ে জন্ম লাভ কৰে সেয়া ধ্ৰুৱপ। সেয়ে এনেকুৱা নিৰ্বাচন গণতান্ত্ৰিক দেশৰ শিক্ষা অনুষ্ঠানত প্ৰয়োজনীয়। কিন্তু এনেকুৱা নিৰ্বাচন ৰাজনীতিৰ লেতেৰা দুৰ্গন্ধৰ পৰা আঁতৰাই ৰখাটো ভাল। সমন্বয়ৰ মিলনসেতু স্বৰূপ শিক্ষানুষ্ঠানত বিভিন্ন স্তৰৰ, বিভিন্ন জাতি, ধৰ্মৰ শিক্ষাৰ্থী সকলে ভেদা-ভেদ পাহৰি শিক্ষানুষ্ঠানৰ চাৰিবেৰৰ মাজত এডাল ডোলেৰে বান্ধ খাই থাকে। সকলোৰে উদ্দেশ্য একেটাই। গতিকে তেওঁলোকে এজনে আনজনৰ মাজত পাৰ্থক্য অনুভৱ নকৰে। তেওঁলোকৰ মগজুয়ে পঢ়াৰ বাহিৰে আন কথা ঢুকি নাপায়। সকলোৰে উদ্দেশ্য হ'ল - জ্ঞান আহৰণ কৰা। সেয়েহে সকলোৰে মাজত সৌহাৰ্দ্য, সহায়-সহযোগিতা, মিলা-প্ৰীতি থকাটো নতুন কথা নহয়। কিন্তু যেতিয়া বাহিৰা কিছুমান ৰাজনৈতিক সংগঠনৰ দালালে কু-মনোভাৱ লৈ এনেকুৱা পৱিত্ৰ অনুষ্ঠানৰ ভিতৰ চৰাত বিভেদৰ বীজ সিঁচি ৰাজনীতি কৰিবলৈ আহে, তেতিয়া এই মৰম চেনেহৰ বান্ধ সোলোক-ঢোলোক হোৱাৰ উপক্ৰম হয় আৰু সাধাৰণ ছাত্ৰ-ছাত্ৰীয়ে ইয়াৰ একো ভু নাপায় তেওঁলোকৰ পাক চক্ৰত পৰি নিজকে পৃথক বুলি অনুভৱ কৰা দেখা যায়। কিন্তু এনেকুৱা পৰিস্থিতিয়ে কিছু ক্ষণলৈহে বিৰাজ কৰি থাকে ই চিৰন্তৰ সত্য। এনেকুৱা

পৰিস্থিতি যাতে ৰঙিয়া মহাবিদ্যালয়ত ভৱিষ্যতে এনে নহয় তাৰ বাবে আহ্বান জনাইছোঁ।

দৰাচলতে সহঃ সাধাৰণ সম্পাদক হিচাপে কোনো বিশেষ কাম নাথাকে তথাপি বহু কৰিব বিচাৰিছিলোঁ। বহু ক্ষেত্ৰত আশা কৰা হিচাপে সফলো হৈছো, তথাপিও বিফলতাৰ পৰিমান নোহোৱা নহয়। সফলৰ ভিতৰত মহাবিদ্যালয়ৰ প্ৰশাসনত আমাৰ প্ৰচেষ্টা স্বৰূপে হোৱা আমূল পৰিবৰ্তণকে আঙুলিয়াব বিচাৰিছোঁ। ইয়াৰ উপৰিও এইবেলি ৰঙিয়া মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ লগত ছাত্ৰ সন্থাৰ হোৱা চুক্তি-পত্ৰ খনক উনুকিয়াব বিচাৰিছোঁ। উক্ত চুক্তি-পত্ৰ অনুসৰি বহু বছৰৰ মূৰত ৰঙিয়া মহাবিদ্যলয়ত "সিদ্ধিনাথ শৰ্মা সোঁৱৰণি তৰ্ক প্ৰতিযোগিতা অনুষ্ঠিত কৰা হয়। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ বহুদিনীয়া অভাৱ ছাত্ৰ জিৰণী কোঠাৰ নিৰ্মাণ কাৰ্য্য হাতত লোৱা হয়। তাৰ তৎকালীন পদক্ষেপ হিচাপে উক্ত জিৰণী কোঠাটোৰ আধাৰ-শিলা স্থাপন কৰা হয়। মহাবিদ্যালয়ত অহা বাৰ্ষিকৰ পৰা "কম্পিউটাৰ ট্ৰেইনিং চেন্টাৰ" মুকলি কৰিবলৈ প্ৰতিশ্ৰুতি লোৱা হয়। ইয়াৰ উপৰিও মহাবিদ্যালয়ৰ চাৰিবেৰৰ ভিতৰচ'ৰাত পৰিস্কাৰ পৰিছন্নতা কৰি ৰখা মহাবিদ্যালয়ৰ সম্পত্তি স্বৰ গছ কটা বন্ধ কৰা, ছাত্ৰ সন্থাৰঅনুমতি অবিহ দান বৰঙণি বন্ধ কৰা ইত্যাদি চুক্তি-পত্ৰ জৰিয়তে প্ৰতিশ্ৰুতি আদায় কৰা হয়।

এই সফলতাৰ বাবে প্ৰধানক মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয়ক কৃতজ্ঞত যাঁচিলো। দৰাচলতে তেখেতৰ একানপতীয় প্ৰচেষ্টাৰ বাবে এইখিনি আমূল পৰিবৰ্ত্তণ হ' পালে। আমি তেখেতৰ এই মহৎ কাৰ্য্য শে নিশ্বাসলৈ সোঁৱৰিম।

সদৌ শেষত অজ্ঞাতসাৰে কৰা ভুল ভ্ৰান্তিৰ বাবে ক্ষমা মাগিছো, লগতে মোৰ কাৰ্য্যকালত সহায় সহযোগিতা আগবঢ়োৱা সমূহ সতীৰ্থলৈ ধন্যবাদ যাচিছোঁ। ☐☐

"জয়তু ৰঙিয়া মহাবিদ্যালয়"

ইতি -

**শ্ৰীসঞ্জয় মজুমদাৰ**

সহ ঃ সাধাৰণ সম্পাদক,

ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা

☐☐☐☐



## তৰ্ক আৰু সাহিত্য বিভাগৰ

## সম্পাদিকাৰ প্ৰতিবেদন



মোৰ প্ৰতিবেদনৰ দুৱাৰ দলিতে জাতীয় মুক্তি বিপ্লৱৰ হকে মাতৃভূমিৰ তথা বিদেশ ভূমিত প্ৰাণ বিসৰ্জন দি আত্ম স্বাৰ্থক জলাঞ্জলি দিয়া মৃত্যুঞ্জয়ী জাতীয় বীৰ শ্বহীদ সকলক শ্ৰদ্ধাৰে সোঁৱৰিছো। লগতে এইসকল মহানক, যি সকল নমস্যা ব্যাক্তিৰ মহান ত্যাগ আৰু অক্লান্ত পৰিশ্ৰমৰ ফলস্বৰূপে এই পৱিত্ৰ অনুষ্ঠান 'ৰঙিয়া মহাবিদ্যালয় আজিৰ পৰা ৩৭ বছৰ পূৰ্বে ভূমিষ্ঠ হৈছিল। সেইসকল চিৰ নমস্যা ব্যক্তিকো প্ৰতিবেদনৰ জপনা মুখতে সশ্ৰদ্ধ প্ৰণাম নিবেদিছোঁ।

ৰঙিয়া মহাবিদ্যালয়ৰ যি সকল সচেতন ছাত্ৰ-ছাত্ৰীয়ে মোক মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ গুৰুত্বপূৰ্ণ পদবী "তৰ্ক আৰু সাহিত্য" বিভাগৰ সম্পাদিকাৰ পদত বিপুল ভোটত নিৰ্বাচিত কৰি ঐতিহ্যমণ্ডিত ৰঙিয়া মহাবিদ্যালয়ক নিঃস্বাৰ্থ সেৱা আগবঢ়োৱাৰ সুযোগ প্ৰদান কৰিলে, সেইসকল শুভাকাংক্ষী বন্ধু-বান্ধৱীকো মই অতিকৃতজ্ঞতাৰে প্ৰতিবেদনৰ বাট চ'ৰাতে সোঁৱৰিছোঁ।

সদৌ অসম ছাত্ৰ সন্থাৰ নিৰ্বাচিত প্ৰাথী হিচাপে নিৰ্বাচিত হৈ এক অতি আনন্দমুখৰ পৰিবেশত দায়িত্ব ভাৰ গ্ৰহণ কৰোঁ। মোৰ কাৰ্য্যকালৰ দোক-মোকালিতে মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ অতি আকাংক্ষাৰ মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহ আৰম্ভ হয়। বাৰ্ষিক সপ্তাহত তৰ্ক আৰু সাহিত্য বিভাগৰ সৌজন্যত অনুষ্ঠিত কৰা প্ৰতিযোগিতা সমূহৰ ভিতৰত আছিল - অসমীয়া কবিতা, আবৃত্তি, ইংৰাজী বাতৰি পাঠ, থিতাতে লিখা কবিতা প্ৰতিযোগিতা, আকষ্মিক বক্তৃতা, তৰ্ক আৰু কুইজ প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। এটা কথা উল্লেখ নকৰি নোৱাৰিলোঁ যে এইবাৰৰ বাৰ্ষিক সপ্তাহত প্ৰতিযোগীৰ উৎসাহজনক অংশগ্ৰহণে মোৰ কৰ্ত্তব্য সুচাৰুৰূপে সম্পাদন কৰাত যথেষ্ট প্ৰেৰণা যোগাইছিল।

সাম্প্ৰতিক যুগটো হৈছে প্ৰতিযোগিতাৰ যুগ। সময়ৰ প্ৰত্যাহ্বান গ্ৰহণ কৰি ছাত্ৰ-ছাত্ৰীৰ মানসিক উৎকৰ্ষ সাধন কৰাৰ কাৰণে বৰ্তমানৰ প্ৰতিযোগিতামুখী যুগটোত তৰ্ক আৰু সাহিত্য

অতি প্ৰয়োজনীয় বিষয়। তৰ্ক আৰু সাহিত্যৰ অন্তৰ্গত বিষয়সমূহে অনুশীলনকাৰীক সময়ৰ প্ৰত্যাহ্বান গ্ৰহণ কৰি যশবতী কৰিব পাৰে বুলি মই দৃঢ়ভাৱে বিশ্বাস কৰোঁ। মোৰ কাৰ্য্যকালছোৱাত মই কেনেদৰে দায়িত্ব পালন কৰিলো সেয়া আপোনালোকৰ বিচাৰ্য্যৰ বিষয়। তথাপি মই কবলৈ বাধ্য যে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছৰে পৰা প্ৰতিটো কৰ্তব্য সুচাৰুৰূপে পালন কৰিবলৈ মই যথেষ্ঠ চেষ্টা কৰিছিলোঁ।

মোৰ কাৰ্য্যকালৰ ভিতৰত গুৱাহাটী কমাৰ্চ কলেজত অনুষ্ঠিত ড° বিৰিঞ্চি কুমাৰ বৰুৱা সোঁৱৰণী সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাত আমাৰ মহাবিদ্যালয়ৰ চাৰ্জিনা বেগমে অংশ গ্ৰহণ কৰি পুৰস্কৃত হয়।

এই বছৰত আমাৰ মহাবিদ্যালয়ত "সিদ্ধিনাথ শৰ্মা সোঁৱৰণী সদৌ অসম আন্তঃ মহাবিদ্যালয় তৰ্ক প্ৰতিযোগিতাখন যোৱা ১৫/১১/৯৯ তাৰিখে এক গাম্ভীৰ্য্যপূৰ্ণ পৰিৱেশত অনুষ্ঠিত কৰা হৈছিল। উক্ত প্ৰতিযোগিতাখনত মাননীয় হৰেশ দত্ত ডাঙৰীয়াই অধ্যক্ষৰ আসন, মাননীয় প্ৰদীপ কলিতা, ৰঙিয়া মহাবিদ্যালয়ৰ অধ্যাপক মাননীয় অমৰেন্দ্ৰ শৰ্মা আৰু মাননীয় ভূপেন শৰ্মা দেৱে বিচাৰকৰ আসন গ্ৰহণ কৰে। এখেত সকলক মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। উক্ত প্ৰতিযোগিতাখনত বি বৰুৱা কলেজ শ্ৰেষ্ঠ দল আৰু ৰঙিয়া কলেজে ৰানাৰ্ছ আপ দলৰ সন্মান লাভ কৰে। উল্লেখযোগ্য যে আমাৰ মহাবিদ্যালয়ৰ দলটোত সদনৰ সপক্ষে কুমুদ দাস আৰু বিপক্ষে চাৰ্জিনা বেগমে অংশগ্ৰহণ কৰি পুৰস্কৃত হয়। কাৰ্য্যভাৰ হাতত লোৱাৰ পৰা উক্ত প্ৰতিযোগিতাখন অনুষ্ঠিত কৰাৰ কাৰণে কৰা চেষ্টা তথা কষ্ট সাৰ্থকতাৰে বাস্তৱত ৰূপ দিব পৰাৰ কাৰণে মই অতি আনন্দিত। তথাপিতো ইয়াত বৈ যোৱা আসোঁৱাহৰ কাৰণে মই মাৰ্জনাৰ প্ৰাৰ্থী। আশা ৰাখিছোঁ অদুৰ ভৱিষ্যতেও তেনে প্ৰতিযোগিতা অব্যাহত থাকিব।

মোৰ কাৰ্য্যকাল চোৱাত বিভিন্ন পৰামৰ্শৰে বিভিন্ন পৰামৰ্শৰে সহায় আগবঢ়োৱা মাননীয় তত্বাৱধায়ক প্ৰদীপ ডেকা প্ৰমুখ্যে মনোজ সিনহা, কমলা বৰ্মণ, বিজুলী চক্ৰৱৰ্তী, আব্দুৰ ৰেজ্জাক, হৰেণ শৰ্মা, দক্ষেশ্বৰ ডেকা, ৰাজেশ কুমাৰ তথা মাননীয় উপাধ্যক্ষ উমেশ গোস্বামী চাৰলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। লগতে মোৰ কাৰ্য্যকালত সহায় আগবঢ়োৱা ছাত্ৰ-ছাত্ৰী সকলৰ ভিতৰত সৰ্বশ্ৰী বাইদেউ ৰেবা (ৰ'বিনা) কামাল বিজৰী, লংকেশ্বৰ নাথ, বান্ধৱী ৰঞ্জুমণি, ৰুণুমী, দীপিকা, অনুৰাধা, তুতুমণি, ডলি, বিজু, বন্ধু বিকাশ, তপন, অৰূপ তথা প্ৰাক্তন ছাত্ৰ সঞ্জীৱ দেৱান আৰু আব্দুল মালিক দেৱানক এই ছেগতে কৃতজ্ঞতা নিবেদন কৰিছোঁ। লগতে ৰঙিয়া মহাবিদ্যালয়ত আছুগোটৰ সমূহ কৰ্মীকো ধন্যবাদ জনাইছোঁ।

মোৰকাৰ্য্যকাল চোৱাত অজানিতে হোৱা ভুলত্ৰুটীৰ ক্ষমা বিচাৰিলোঁ। সদৌ শেষত ঐতিহ্যমণ্ডিত ৰঙিয়া মহাবিদ্যালয়ৰ ভৱিষ্যতৰ সৰ্বতো প্ৰকাৰৰ উন্নতি কামনা কৰি মোৰ এই চমু প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ। □□

জয় আই অসম

**চাৰ্জিনা বেগম**
সম্পাদিকা, তৰ্ক আৰু
সাহিত্য বিভাগ
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা

ৰঙিয়া মহাবিদ্যালয় আলোচনী

## সাংস্কৃতিক বিভাগৰ
## সম্পাদিকাৰ বাৰ্ষিক প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে অসমৰ জাতীয় শ্বহীদ সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছোঁ।

ৰঙিয়া মহাবিদ্যালয়ৰ অস্তিত্ব ৰক্ষাৰ বাবে যি সকল মহান ব্যক্তিয়ে অশেষ চেষ্টা তথা ত্যাগ স্বীকাৰ কৰি আহি আছে সেই সকললৈ ধন্যবাদ জনাইছোঁ। ইয়াৰ লগতে মহাবিদ্যালয়ৰ সমুহ শিক্ষাগুৰু সকলক শ্ৰদ্ধা তথা যিসকল ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীয়ে ১৯৯৮-৯৯ ইং চনৰ ৰঙিয়া মহাবিদ্যালয়ৰ সাংস্কৃতিক সম্পাদিকাৰ গুৰুত্বপূৰ্ণ পদটিত জয়ী কৰি মোক সেৱা কৰাৰ সুযোগ দিছে, তেওঁলোকলৈ মোৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

আৱহমান কালৰ পৰা অসমৰ সাংস্কৃতিক দিশটোত অসমৰ প্ৰাচীন নাচ-গান, অভিনয় আৰু লোকনৃত্য গীত ইত্যাদিয়ে যথেষ্ট অৰিহণা যোগায় আহিছে। সময়ৰ অগ্ৰগতিৰ লগে লগে এইবোৰবো যথেষ্ট পৰিবৰ্তন হৈ আহিছে। অতীত কালৰে পৰা কেইবাজনো মহাপুৰুষ, ধৰ্মগুৰু, ধৰ্মপ্ৰচাৰকে তেওঁলোকৰ দ্বাৰা সৃষ্ট সংগীতেৰে তৎকালীন নৈতিক, সামাজিক, ধৰ্মীয় আদি বিষয়ত বিভিন্ন জাতি উপজাতি, বিভিন্ন সম্প্ৰদায়ক একতাৰ ডোলেৰে বান্ধি মহান অসমীয়া জাতি গঠন কৰি গৈছে। সংগীত, নাট, ভাওনা, ভটিমা আদি এটা জাতিৰ সংস্কৃতিৰ প্ৰধান অংগ। সংস্কৃতিয়ে এখন সুষ্ঠ সমাজ গঢ়ি তোলাত যথেষ্ট অৰিহণা যোগাব পাৰে। সেয়েহে এনেকুৱা এটা দায়ীত্বপূৰ্ণ বিভাগত মই নিজকে নিয়োগ কৰিব পাই যথেষ্ট সুখী হৈছোঁ।

দায়িত্ব গ্ৰহণৰ পাছত মোৰ কাৰ্য্যকালৰ বছৰটোত মহাবিদ্যালয়ৰ বাৰ্ষিক সপ্তাহত ছাত্ৰ-ছাত্ৰীসকলে তেওঁলোকৰ নিজ প্ৰতিভা বিকাশ কৰাৰ ক্ষেত্ৰত মোৰ ফালৰ পৰা তেওঁলোকক সুযোগ সুবিধা কৰি দিয়াত কোনো ধৰণৰ চেষ্টাৰ ত্ৰুটি কৰা নাই। মহাবিদ্যালয় সপ্তাহৰ

অন্তৰ্ভূক্ত বিভিন্ন সাংস্কৃতিক প্ৰতিযোগিতা যেনে- সংগীত, একক অভিনয়, একাংকিকা নাট, ভেশচন আদি অনুষ্ঠিত কৰা হয়। তাৰোপৰি মহাবিদ্যালয়ত পোন প্ৰথম বাৰৰ বাবে সাংস্কৃতিক শাখাৰ পৰা 'অন্তাক্ষৰী' আৰু 'আধুনিক' নৃত্যৰ প্ৰতিযোগিতা পতা হয়। এই প্ৰতিযোগিতা সমূহৰ মাজেৰে বহুতো উন্নত মানৰ প্ৰতিযোগী পাওঁ।

আমাৰ মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশটো অভাৱগ্ৰস্থ। সেয়েহে মহাবিদ্যালয়ৰ সীমিত সা-সৰঞ্জামৰ মাজেৰে ছাত্ৰ-ছাত্ৰী সকলে তেওঁলোকৰ সাংস্কৃতিক প্ৰতিভা বিকাশ কৰিবলৈ যাওঁতে যথেষ্ট সমস্যা বা অসুবিধাৰ সন্মুখীন হব লগীয়া হয়।

সেয়েহে মহাবিদ্যালয়ৰ সাংস্কৃতিক দিশটো উন্নত কৰিবৰ বাবে সা-সৰঞ্জাম বৃদ্ধিৰ দিশত মহাবিদ্যালয়ৰ কৰ্তৃপক্ষক দৃষ্টি দিবলৈ মোৰ শাখাৰ পৰা অনুৰোধ জনালোঁ।

তথাপি এই অভাৱ সমূহৰ মাজেৰেও মহাবিদ্যালয়ত এই বছৰৰ নৱাগত আদৰণি সভাখন সুষ্ঠ সংগীতানুষ্ঠানেৰে অনুষ্ঠিত কৰা হয়। তাৰোপৰি "খাতেহা-ই-দোৱাজ-দাহমত ছাত্ৰ-ছাত্ৰীৰ মনোৰঞ্জনৰ অৰ্থে এটি বিশেষ সাংস্কৃতিক অনুষ্ঠান পতা হয়। এই অনুষ্ঠানত মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী সকলে বিভিন্ন নৃত্য, গীত আদি পৰিবেশন কৰি অনুষ্ঠানটি আনন্দমুখৰ কৰি তোলে।

মোৰ কাৰ্য্যকালত, মই মোৰ কাৰ্য্যভাৰ চলাই নিয়াৰ দিশত মোক বিভিন্ন সময়ত পৰামৰ্শ দিয়াৰ বাবে বিভাগীয় তত্বাৱধায়ক শ্ৰীমনোজ সিন্‌হা দেৱক আৰু মহাবিদ্যালয়ৰ ছাত্ৰ-সন্থাৰ বিষয় ববীয়া তথা সদস্য সকলৰ ওচৰত মই চিৰ কৃতজ্ঞ। সাংস্কৃতিক দিশটো পৰিচালনা কৰাৰ ক্ষেত্ৰত যি সকল বন্ধু-বান্ধৱীয়ে সহায়-সহযোগ আগবঢ়ালে তেওঁলোকৰ প্ৰতিও মই আন্তৰিক ধন্যবাদ আগবঢ়ালোঁ।

সদৌ শেষত ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী আৰু শিক্ষাগুৰু সকলৰ ওচৰত অজানিতে হোৱা ভুলত্ৰুটিৰ বাবে ক্ষমা বিচাৰিছোঁ আৰু ৰঙিয়া মহাবিদ্যালয়ৰ উজ্বল ভৱিষ্যত কামনা কৰি মই মোৰ প্ৰতিবেদন সামৰণি মাৰিলোঁ। □□

জয়তু ৰঙিয়া মহাবিদ্যালয়

শ্ৰদ্ধাৰে -

**শ্ৰীবিজুমণি বৰা**

সম্পাদিকা, সাংস্কৃতিক বিভাগ

ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা

ৰঙিয়া মহাবিদ্যালয় আলোচনী

## সমাজ সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



জয় জয়তে অসমী আইক সেৱা জনাই মোৰ এই প্ৰতিবেদনৰ বুলনিত অসম আন্দোলনত অসমী আইৰ অস্থিত্ব ৰক্ষাৰ সংগ্ৰামত অসমৰ বিভিন্ন প্ৰান্তত অকালতে জীৱন আহুতি দিয়া জ্ঞাত-অজ্ঞাত বীৰ শ্বহীদ সকলৰ প্ৰতি মোৰ ভক্তিভৰা অশ্ৰু-অঞ্জলি যাচিছোঁ। লগতে ৰঙিয়া মহাবিদ্যালয়ৰ শুভকাংক্ষী সকল আৰু জাতীয়তাবাদ বিশ্বাসী ব্যক্তিবৃন্দ সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা আৰু কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

বিগত ১৯৯৮-৯৯ ইং চনৰ ৰঙিয়া মহাবিদ্যালয়ৰ 'ছাত্ৰ একতা সভাৰ' সমাজ সেৱা বিভাগত মোক নিৰ্বাচন কৰাত যি সকল উদ্যোক্তেতাই আগ-ভাগ লৈছিল সেই সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা যাচিছোঁ।

মানুহ মাত্ৰেই সামাজিক প্ৰাণী। কোনো সভ্য মানুহেই সমাজক অগ্ৰাহ্য কৰি থাকিব নোৱাৰে। কিছুমান মহান ব্যক্তিৰ মতে, "মানৱ পূজাই মহান পূজা।" গতিকে, মানৱৰ মঙ্গলাৰ্থে আগবঢ়োৱা সেৱাই হ'ল সমাজ সেৱা। "ছাত্ৰা নাং অধ্যয়নং তপঃ" বুলি এষাৰ কথা আছে যদিও, প্ৰতিজন ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়নক মুখ্য বিষয় হিচাপে লৈ মানৱ সেৱাতে ব্ৰতী হ'ব লাগে। অধ্যয়ন আৰু সমাজসেৱা দুয়োটা বিষয় সমান্তৰালভাৱে আগবাঢ়ি গ'লেহে দেশ তথা জাতিৰ উন্নতি আশা কৰিব পাৰি। কিয়নো দেশ বা জাতিৰ কাৰণে আমি কিঞ্চিত বৰঙণি আগবঢ়োৱাটো আমাৰ সকলোৰেই কৰ্ত্তব্য, সেয়েহে জাতিৰ মঙ্গলাৰ্থে আমি সকলোৱে জাতীয়তাবাদত বিশ্বাস ৰাখি মানৱসেৱা কৰোঁ আহঁক।

শিক্ষাৰ বাবে সুন্দৰ পৰিবেশ থকা ৰঙিয়া মহাবিদ্যালয় এখন আদৰ্শনীয় শিক্ষানুষ্ঠান। যদিও এই মহাবিদ্যালয়ৰ বিভিন্ন দিশৰ অভাৱ - অভিযোগবোৰ মই 'ছাত্ৰ একতা সভাৰ' সহায়ত দূৰ কৰাৰ চেষ্টা কৰিছিলোঁ। ইয়াৰে কিছুক্ষেত্ৰত মই সফল হৈছো আৰু কিছুমান বিষয় দীৰ্ঘম্যাদী হোৱা বাবে অধ্যক্ষ মহোদয়ে পৰবৰ্ত্তী পৰ্য্যায়ত দীৰ্ঘম্যাদী অভাববোৰ সমাধা কৰিব বুলি

প্ৰতিশ্ৰুতি-বদ্ধ হৈছে। ইয়াৰ ওপৰিও "ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ সদস্য/সদস্যাৰ সহযোগত ৰঙিয়া মহাবিদ্যালয়খনক পৰিস্কাৰ আৰু সুন্দৰকৈ ৰখাত সহায়ক হৈছিল আৰু আশাকৰোঁ ভৱিষ্যতেও সহায়ক হ'ব।

ৰঙিয়া মহাবিদ্যালয়ৰ ভিতৰ চ'ৰাতে আমি সকলোৱেই এটা পৰিয়ালৰ সদস্য। কিন্তু দুখৰ বিষয়, দু-হেজাৰতকৈ অধিক সংখ্যক সদস্যৰ পৰিয়াল এটি, বিভিন্ন দল, বিভিন্ন জাতি আৰু বিভিন্ন ভাষাৰে আলম লৈ বিভক্ত। যাৰ বাবেই সাম্প্ৰতিক সময়ত সামাজিক কৰ্মত ব্যাঘাত জন্মিছে। হে বন্ধুবৃন্দ, এই বিভেদ কামী শক্তিক দলিমাই সকলোৱেই ঐক্যৰ সুৰেৰে এখন সুন্দৰ সমাজ গঢ়াৰ প্ৰয়াস কৰক।

মোৰ কাৰ্য্যকালত মোক বিভিন্ন দিশত দিহা-পৰামৰ্শ আৰু উপদেশ দি, সহায় কৰি মোৰ বিভাগৰ সকলো কাৰ্য্য সমাধা কৰাৰ মূলতে চিৰ নমস্য 'সমাজ সেৱা বিভাগ" আৰু "ৰাষ্ট্ৰীয় সেৱা আঁচনিৰ" তত্বাৱধায়ক শ্ৰীযুত দীনেশ লহকৰ দেৱ আৰু সৰ্বশ্ৰী দ্বিজেন ডেকা, পৰিতোষ দাস, আৰু বিমল দাস দেৱ আদি মহোদয়ে মোক কৃতাৰ্থ কৰিলে। লগতে ছাত্ৰ একতা সভাৰ গুৰু দায়িত্বত সহায় কৰা বন্ধু-বান্ধৱীলৈ মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিলোঁ। যাৰ সহায় নহলে মোৰ কাৰ্য্যকাল সুকলমে পাৰ হৈ নগ'লহেতেন।

সৰ্বশেষত কওঁ যে, মানুহ মাত্ৰেই ভুল হয়। সেয়ে হয়তো কাৰ্য্যকাল আৰু মোৰ ক্ষুদ্ৰ প্ৰতিবেদনত অজ্ঞাতে ভুল কৰিব পাৰোঁ। মাননীয় শিক্ষক-শিক্ষয়ত্ৰীৰ লগতে সমূহ বন্ধু-বান্ধৱীৰ ওচৰত মোৰ অজানিতে কৰা সকলো ভুল-ভ্ৰান্তিৰ মাৰ্জনা বিচাৰিছোঁ। লগতে ৰঙিয়া মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতিৰ কামনা কৰি মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিছোঁ। ❑❑

'জয়তু ৰঙিয়া মহাবিদ্যালয়'

জয় আই অসম

শ্ৰদ্ধাৰে -

**শ্ৰীভবেন দত্ত**

*সম্পাদক, সমাজসেৱা বিভাগ*

❑❑❑❑



## গুৰু খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন।

।। ইং ১৯৯৮-৯৯ চন ।।



জয় জয়তে ৰঙিয়া মহাবিদ্যালয়ৰ গুৰু খেল বিভাগৰ সম্পাদক হিচাপে কাৰ্য্যনিৰ্বাহ কৰিবলৈ মোক সুযোগ দিয়াত মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক অভিনন্দন জনাইছোঁ।

ক্ৰীড়া প্ৰতিযোগিতা বুলি কওঁতে বিভিন্ন ক্ৰীড়া বিভাগৰ ক্ৰীড়াবিদৰ নিয়ম নীতিৰ মাজেদি পৰিচালনা হোৱা এখন যুদ্ধ বুলি কব পাৰি। সেয়ে যি কোনো এখন প্ৰতিযোগিতাত হাজাৰ হাজাৰ প্ৰতিযোগীয়ে নিজৰ ৰণ-নীতিয়ে প্ৰতিযোগিতাত আগবঢ়াই নিজক শ্ৰেষ্ঠ প্ৰতিপন্ন কৰা বাবে প্ৰচেষ্টা চলায়। গতানুগতিক ভাৱে কোনোবা এজনে প্ৰথম, এজন দ্বিতীয় আৰু আনজনে তৃতীয় স্থান লাভ কৰে।

বৰ্তমান যুগত খেলা-ধূলাক শিক্ষাৰ এটা প্ৰধান অঙ্গৰূপে গ্ৰহণ কৰা হৈছে। ভাল খেলুৱৈ গঢ় দিবলৈ হলে যেনেদৰে ভাল অনুশীলন দৰকাৰ, লগতে এটা খেলত কীৰ্তিলাভ কৰিবলৈ হলে এটা সুস্থ সৰল মানসিকতাৰ প্ৰয়োজন।

বিগত ৮ জানুৱাৰী তাৰিখৰ পৰা ১২ জানুৱাৰী' ৯৯ ইং তাৰিখলৈ অনুষ্ঠিত হোৱা ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ সকলৰ মহাবিদ্যালয় সপ্তাহত বিশেষকৈ ১০০ মিটাৰ দৌৰ, ২০০ মিটাৰ দৌৰ লং জাম্প, হাইজাম্প, জেভলিং থ্ৰো, ৰেট থ্ৰো, ডিচ্‌কাচ থ্ৰো, ক্ৰিকেট, ৰেট লিফটিং, শৰীৰ চৰ্চা, পাঞ্জাখেলা ইত্যাদি প্ৰতিযোগিতা অনুষ্ঠিত কৰা হৈছিল। মহাবিদ্যালয়ৰ ক্ৰীড়া উৎসাহী ছাত্ৰ-ছাত্ৰীয়ে এই মহাবিদ্যালয়ৰ ক্ৰীড়াৰ যোগেদি নিজৰ প্ৰতিভা বিকাশ কৰি কৃতিত্ব লাভ কৰিছিল।

গতিকে আত্মবিশ্বাসেৰে আগবাঢ়ি গলে মহাবিদ্যালয়ৰ খেলুৱৈ সকলে উচচ মানদণ্ডৰ প্ৰতিযোগিতাত অংশলৈ কৃতিত্ব লভিবলৈ সক্ষম হ'ব। ইয়াৰ বাবে মহাবিদ্যালয়ৰ এক ক্ৰীড়া মুখী সুস্থ পৰিবেশৰ অতি প্ৰয়োজন।

সেয়েহে মই গুৰু খেলবিভাগৰ সম্পাদক হিচাপে এই প্ৰতিবেদনৰ জৰিয়তে সদৌ শেষত ৰঙিয়া মহাবিদ্যালয়ৰ ভৱিষ্যতলৈ আৰু অধিক উন্নতি কামনা কৰিলোঁ। মোৰ কাৰ্য্যকালত সহযোগিতা আগবঢ়োৱা শিক্ষাগুৰু সকল হ'ল আব্দুৰ ৰেজ্জাক (তত্বাৱধায়ক, গুৰুখেল বিভাগ), বিমল দাস, দীনেশ লহকৰ আৰু মোৰ বন্ধু-বান্ধৱী সকল হ'ল কুমুদ, ভবেন, জয়শ্ৰী, দীপাঞ্জলী আৰু বহুতলৈ আন্তৰিক অভিনন্দন জনালোঁ।

**চাহাবুদ্দিন আহমেদ**

*সম্পাদক, গুৰুখেল বিভাগ*

# লঘু খেল বিভাগৰ
# সম্পাদকৰ প্ৰতিবেদন



জয় জয়তে মই অসমৰ জাতীয় মুক্তি বিপ্লৱৰ স্বদেশ তথা বিদেশ ভূমিত প্ৰাণ বিসৰ্জন দিয়া মৃত্যুঞ্জয় বীৰ শ্বহীদ সকলক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। লগতে যি সকল ব্যক্তিৰ মহান ত্যাগ আৰু অক্লান্ত পৰিশ্ৰমৰ যশ স্বৰূপে এই মহাবিদ্যালয় ভূমিষ্ঠ হৈছিল সেই সকল চিৰ নমস্য ব্যক্তিকো প্ৰতিবেদনৰ বাট চৰাতে শ্ৰদ্ধা নিবেদিছোঁ।

ৰঙিয়া মহাবিদ্যালয়ৰ যি সকল ছাত্ৰ-ছাত্ৰীয়ে মোক মহাবিদ্যালয়ৰ ১৯৯৮/৯৯ বৰ্ষৰ বাবে সাধাৰণ নিৰ্ব্বাচনত লঘু খেল বিভাগৰ সম্পাদক হিচাপে নিৰ্ব্বাচিত কৰি ঐতিহ্যমণ্ডিত ৰঙিয়া মহাবিদ্যালয়ৰ সেৱা কৰাত সুযোগ প্ৰদান কৰিলে সেই সকল ছাত্ৰ-ছাত্ৰীৰ ওচৰত চিৰ কৃতজ্ঞ। অসম জাতীয়তাবাদী যুৱ ছাত্ৰ পৰিষদৰ নিৰ্ব্বাচিত প্ৰাৰ্থী হিচাপে ৰঙিয়া মহাবিদ্যালয়ৰ লঘু খেল বিভাগৰ পদত মই দায়িত্ব গ্ৰহণ কৰোঁ। বৰ্তমান বিশ্বত সবাতোকৈ গুৰুত্বপূৰ্ণ মনোগ্ৰাহী দিশ হিচাপে ক্ৰীড়াৰ কথা বহলাই নকলেও নিশ্চয় ইয়াৰ গুৰুত্ব প্ৰত্যেকৰে বিদিত। শৰীৰ, মনৰ উৎকৰ্ষ সাধনাৰ জৰিয়তে বন্ধুত্ব আৰু পাৰস্পৰিক সহযোগিতা গঢ়ি তোলাত এক মাত্ৰ ক্ৰীড়াইহে আজিলৈ মূল ভূমিকালৈ আহিছে। মোৰ কাৰ্য্য কালৰ প্ৰথম কাৰ্য্য সূচী আছিল - বাৰ্ষিক সপ্তাহ। এই বাৰ্ষিক সপ্তাহত লঘু খেল বিভাগৰ তত্বাৱধায়ক মাননীয় বিমল দাস চাৰ দেৱে বিশেষ ভাৱে সহায় কৰে আৰু ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী তথা মোৰ বন্ধু এহেদৰ ৰহমান, মজাহাৰুল (হাদি) ৰিঙ্কু ইচাক, মফিদুল, জোনালী বৰুৱা লগতে মহাবিদ্যালয়ৰ সকলো ছাত্ৰ-ছাত্ৰীয়ে সহায় সহযোগিতা আগবঢ়ায়। লঘু খেল সম্পাদক হিচাপে মই পৰিচালনা কৰা খেল সমূহ আছিল বেডমিন্টন, ভলি বল, সাতোঁৰ প্ৰতিযোগিতা।

শেষত মোৰ কালচোৱাত অজানিতে হৈ যোৱা ভুল সমূহৰ বাবে, শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰি মোৰ এই প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ। ❑❑

**চৈয়দ আফতাব হুছেইন**
*সম্পাদক, লঘু খেল বিভাগ*
ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা

ৰঙিয়া মহাবিদ্যালয় আলোচনী

# ছাত্ৰী জিৰণি কোঠাৰ
# সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে যি সকল বীৰ শ্বহীদ বহু ঘাট-প্ৰতিঘাটৰ সন্মুখীন হৈ নিজৰ আদৰ্শ পথভ্ৰষ্ট নকৰি মাতৃভূমিৰ স্বাধীনতা ৰক্ষাৰ নিমিত্তে নিজৰ জীৱন উৰ্চগা কৰি আমাক চিৰ দিনৰ বাবে কন্দুৱাই থৈ গুছি গ'ল সেই মৃত্যুঞ্জয়ী শ্বহীদ সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছোঁ লগতে ৰঙিয়া মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ।

ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে মই প্ৰতিদ্বন্দিতাত নামিব লগীয়া নোহোৱাকৈ সম্পাদিকাৰ পদত অধিষ্ঠিত হৈছিলোঁ। সম্পাদিকা হিচাপে মই যিখিনি কৰিব লাগিছিল নিশ্চয় বহুখিনিয়েই কৰিব নোৱাৰিলোঁ। তাৰ বাবে মই আপোনা -লোকৰ ওচৰত ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ।

ৰঙিয়া মহাবিদ্যালয়খন বহুতো অসুবিধাৰ পৰা হাত সাৰিব পৰা নাই; বিশেষকৈ দিনে দিনে ছাত্ৰী জিৰণি কোঠাটো জৰা-জীৰ্ণ হৈ আহিব ধৰিছে। তাৰোপৰি কোঠাটোত উপযুক্ত পৰিমাণৰ আসনৰ অভাৱ। কোঠাটোত কিছুমান আৱশ্যকীয় সামগ্ৰীৰ খুব প্ৰয়োজন। যেনে - কিছু খেলাৰ সামগ্ৰী, এখন দৈনিক বাতৰি কাকত, এটা ফিল্টাৰ ইত্যাদি। মই মোৰ কাৰ্যকালত এই অভাববোৰ সম্পূৰ্ণৰূপে কৰিব নোৱাৰিলোঁ। ছাত্ৰী জিৰণী কোঠাটোৰ অভাববোৰৰ প্ৰতি মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই নীৰৱ ভূমিকা অৱলম্বন কৰিছে। মই কৰ্তৃপক্ষক টানি অনুৰোধ জনাওঁ যে পৰৱৰ্তী কালত অলপ ধন খৰচ কৰি ছাত্ৰী সকলৰ মনৰ আশা পূৰণ কৰে যেন।

মোৰ কাৰ্য্যকাল ছোৱাত বিভিন্ন দিশৰ পৰামৰ্শ আগবঢ়োৱা তত্বাৱধায়িকা শ্ৰীযুতা স্নিগ্ধা চৰকাৰ বাইদেউৰ ওচৰত মই চিৰ কৃতজ্ঞ। আকৌ যি সকল বন্ধু-বান্ধৱীয়ে অক্লান্ত পৰিশ্ৰম কৰি মোৰ ঐতিহ্যমণ্ডিত ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকা হিচাপে নিৰ্বাচিত কৰি গুৰুদায়িত্ব ভাৰ দিলে তেওঁলোকৰ ওচৰত মই চিৰকৃতজ্ঞ হৈ ৰ'ম।

সদৌ শেষত পুনঃ মোৰ কাৰ্য্যকালত জ্ঞাতে-অজ্ঞাতে কৰা ভুলবোৰৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছোঁ। ৰঙিয়া মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মই মোৰ প্ৰতিবেদন সামৰিছোঁ। ❑❑

জয়তু ৰঙিয়া মহাবিদ্যালয়

**শ্ৰীজুৰি শৰ্মা**
*সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা।*

# ছাত্ৰ জিৰণি কোঠাৰ
# সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ প্ৰাক্ মহূৰ্ত্তত অসমৰ জাতীয় অস্তিত্ব ৰক্ষা হেতুকে যি সকল বীৰ শ্বহীদে দেশৰ হকে আত্ম বলিদান দি গ'ল সেই সকল মহান শ্বহীদলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিলোঁ।

ইং ১৯৯৮-৯৯ বৰ্ষৰ বঙীয়া মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সাধাৰণ নিৰ্বাচনত 'সদৌ অসম ছাত্ৰ সন্থাৰ' মনোনীত প্ৰাৰ্থী হিচাপে যি সকল সতীৰ্থই মোক নিৰ্বাচিত কৰিলে সেই সকলৰ ওচৰত মই চিৰ কৃতজ্ঞ। মোৰ কাৰ্য্যকালৰ প্ৰথম পদক্ষেপ 'মহা বিদ্যালয় সপ্তাহত' ছাত্ৰ জিৰণি কোঠাৰ বিভাগীয় খেল সমূহ অনুষ্ঠিত কৰা হয়। কিন্তু পৰিতাপৰ বিষয় এনেহেন ঐতিহ্যমণ্ডিত মহাবিদ্যালয়খনত খেল-ধেমালীৰ সজুলিৰ অভাৱ। যিখিনি খেল সামগ্ৰী আছে সিও শোচনীয় ৰূপ।

মহাবিদ্যালয়খনত এতিয়ালৈকে এটা পূৰ্ণ পৰ্য্যায়ৰ ছাত্ৰ জিৰণি কোঠা গঢ়ি নুঠাটো বাৰুকৈয়ে দুখ লগা বিষয়। ছাত্ৰ জিৰণি কোঠা নথকাৰ ফলত মহাবিদ্যালয়খনত এক বিশৃংখল পৰিস্থিতিৰ সৃষ্টি হোৱা স্বাভাৱিক। ফলস্বৰূপে বহু সংখ্যক ছাত্ৰই জিৰণি সময়ত বহিবলৈ ঠাই নাপাই মহাবিদ্যালয়ৰ বাৰাণ্ডাতে বহি সময় কটাব লগীয়া হৈছে। সেয়েহে মই এই ক্ষুদ্ৰ প্ৰতিবেদনৰ জৰিয়তে মহাবিদ্যালয় কৰ্ত্তৃপক্ষক টানি অনুৰোধ জনাও যাতে ছাত্ৰ সকলৰ বাবে আছুতীয়াকৈ এটি জিৰণি কোঠা নিৰ্মাণ কৰি দি মহাবিদ্যালয়ৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

মোৰ কাৰ্য্যকালত বিভিন্ন বিষয়ত মোক দিহা পৰামৰ্শ দিয়া এই বিভাগৰ তত্বাৱধায়ক অধ্যাপক মাননীয় পৰিতোষ দাস মহোদয়লৈ আন্তৰিক শ্ৰদ্ধা যাচিছোঁ।

ইয়াৰে লগতে মহাবিদ্যালয় সপ্তাহত মোক হাতে-কামে সহায় আগবঢ়োৱা নৱ, দীপজ্যোতি, প্ৰণৱ, তৰিন্দ্ৰ, বিপুল কাকতি, মনোৰঞ্জন, অৰূপ, মামনি আদিৰ ওচৰত মই চিৰ কৃতজ্ঞ।


শেষত মোৰ কাৰ্য্যকালত অজানিতে হোৱা ভুল-ক্ৰুটিৰ বাবে এই প্ৰতিবেদনৰ জৰিয়তে ক্ষমা বিচাৰিছোঁ। সদৌ শেষত বঙীয়া মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি কামনা কৰি প্ৰতিবেদনৰ মোখনি মাৰিলোঁ। ❑❑


ধন্যবাদেৰে -

"জয় আই অসম"

**শ্ৰীহেমেন কলিতা**
সম্পাদক, ছাত্ৰ জিৰণি কোঠা।

এই সংস্কৃতি এতিয়াও আছেনে?





সংগ্ৰাহক ঃ অনুজ নহকৰ

# EX-EDITORS OF OUR JOURNAL

| | | |
|---|---|---|
| 1. | 1966-67 ☞ | *Paramesh Sarma.* |
| 2. | 1967-68 ☞ | *Bibhab Bhatta.* |
| 3. | 1969-70 ☞ | *Baneswar Sarma.* |
| 4. | 1971-72 ☞ | *Rupsad Ali.* |
| 5. | 1973-74 ☞ | *Ramesh Mahanta.* |
| 6. | 1974-75 ☞ | *Bhupen Kalita.* |
| 7. | 1975-76 ☞ | *Pratul Kr. Sarma.* |
| 8. | 1976-77 ☞ | *Badan Ch. Bharali.* |
| 9. | 1977-78 ☞ | *Biren Sarma.* |
| 10. | 1978-79 ☞ | *Kandarpa Kr. Kalita.* |
| 11. | 1979-81 ☞ | *Sanjib Kalita.* |
| 12. | 1982-83 ☞ | *Khagen Ch. Deka.* |
| 13. | 1983-84 ☞ | *Manoranjan Goswami.* |
| 14. | 1984-85 ☞ | *Simanta Saloi.* |
| 15. | 1985-86 ☞ | *Jyotirmoy Kalita.* |
| 16. | 1986-87 ☞ | *Mukutananda Bhattacharyya.* |
| 17. | 1987-88 ☞ | *Dasarath Kalita.* |
| 18. | 1989-90 ☞ | *Tapan Konwar.* |
| 19. | 1991-92 ☞ | *Babul Baishya.* |
| 20. | 1992-93 ☞ | *Dilip Deka.* |
| 21. | 1993-94 ☞ | *Ataur Rahman.* |
| 22. | 1994-95 ☞ | *Hemanta Das.* |
| 23. | 1995-96 ☞ | *Diganta Saloi (Un-Published)* |
| 24. | 1996-97 ☞ | *Dudul Deka.* |
| 25. | 1997-98 ☞ | *Ripul Ch. Deka.* |

Editor
Anuj Lahkar
26th.Issue
1998-99

Printed at **AVISHEK OFFSET**,
Gogoi Bhawan, G.N.B. Road. Silpukhuri, Guwahati-3, Ph : 660104